জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২২/২০২০

## ক'ভিড-১৯ বিৰোধী যুঁজৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিৰ বৰঙনি অব্যাহত

**দিছপুৰ, ২৯ এপ্ৰিল ঃ** ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে আগবঢ়োৱা বৰঙনি আজিও অব্যাহত আছে।

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অসম ৰাজ্যিক কৃষি বিপণন পৰিষদে ৫ লাখ টকা, অসম খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডে ৫ লাখ টকা, কেলকম চিমেন্ট ইণ্ডিয়া লিমিটেডে ২৫ লাখ টকা, স্বৰ্গদেউ সমন্বয় ক্ষেত্ৰ সমাজে ২ লাখ টকা, স্বস্তিক ট্ৰেড চেন্টাৰে ৫.৫১ লাখ টকা, ডাউটাউন চেৰিটী ট্ৰাষ্টে ৫ লাখ টকা, জৈন এন্টাৰ প্ৰাইজে ১ লাখ টকা, বিনোদ অট' এজেঞ্চিয়ে ১.০১ লাখ টকা আৰু ওপৰ চছল বিহু সন্মিলনীয়ে ৩০ হাজাৰ টকাৰ বৰঙনি আগবঢ়ায়।

আনহাতে, অসম আৰোগ্য নিধিলৈ ইণ্ড'তিব্বত ব'ৰ্ডাৰ পুলিচৰ ৩৩ নং বেটেলিয়নৰ বাহিনী কল্যাণ পুঁজিয়ে ১.৫১ লাখ টকাৰ বৰঙনি আগবঢ়ায়।

**প্ৰঃকুঃবঃ/পুঃডেঃ/বীঃগঃ**
**২৯/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in